**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-04-2025 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***

**HEADLINES**

১। ৮ ছেপ্তেম্বৰত ৰাজ্যত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে প্ৰধানমন্ত্ৰী মোদীৰ সন্মতি প্ৰকাশ।

২। ভূটানৰ ৰজা জিগমে খেছাৰ নামগিয়াল ৰাংচুকৰ অসম ভ্ৰমণ। ভূটান নৃপতিৰ যোগীঘোপাত নিৰ্মীয়মান আন্তঃৰাষ্ট্ৰীয় মাল্টি ম'ডেল ল'জিষ্টিক পাৰ্ক পৰিদৰ্শন।

৩। সমাগত পঞ্চায়ত নিৰ্বাচনত জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ মুঠ ৩৪৮ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত।

৪। একাদশ শ্ৰেণীৰ পৰীক্ষাৰ গণিতৰ প্ৰশ্নকাকত ফাদিল কৰাৰ ঘটনাৰ মূল অভিযুক্ত জুৰিয়াৰ মহম্মদ আশিকক অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ গ্ৰেপ্তাৰ।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত গুজৰাট টাইটানছক জয়ৰ বাবে ডেলহী কেপিটেলছৰ ২০৪ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি বিশ্ববৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপনৰ উদ্বোধনী অনুষ্ঠানৰ বাবে প্ৰধানমন্ত্ৰীক আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীয়ে শ্ৰীমোদীক অসম জৈৱ ইথানল প্ৰকল্প উদ্বোধন আৰু ৫ হাজাৰ ৭০০ কোটি টকা ব্যয় সাপেক্ষ গুৱাহাটী ৰিং ৰোড প্ৰকল্প তথা দৰং চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ আধাৰশিলা স্থাপনৰ বাবে প্ৰধানমন্ত্ৰীক অনুৰোধ জনায়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা মতে প্ৰধানমন্ত্ৰীয়ে এই আমন্ত্ৰণ গ্ৰহণ কৰি অসমলৈ আহিবলৈ সন্মতি প্ৰকাশ কৰিছে। এই অনুসৰি অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰীগৰাকী অসমলৈ অহাৰ কথা। মুখ্যমন্ত্ৰীয়ে আজিৰ এই ভ্ৰমণকালত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকো সাক্ষাৎ কৰে।

০০০০০০০

ভূটানৰ ৰজা জিগমে খেছাৰ নামগিয়াল ৰাংচুকে আজি অসম ভ্ৰমণ কৰি ভাৰতমালা প্ৰকল্পৰ অধীনত যোগীঘোপাত নিৰ্মিয়মান আন্তঃৰাষ্ট্ৰীয় বহুমুখী মাল্টিমডেল লজিষ্টিক পাৰ্ক পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ অনুসৰি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ভূটানৰ ৰজাগৰাকীক আদৰণি জনায়। ভাৰতমালা প্ৰকল্পৰ অধীনত নিৰ্মিয়মান পাৰ্কখনৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। পথ, ৰে'লপথ, বিমান আৰু জলপ'থৰ সুবিধাৰে ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগমে পাৰ্কখন নিৰ্মাণ কৰি আছে। ব্ৰহ্মপুত্ৰ উপকূলত ৩১৭ একৰ ভূমি সামৰা এই প্ৰকল্পই ৰাজ্যৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত প্ৰভূত অৰিহণা যোগাব। লগতে ভূটান, বাংলাদেশ প্ৰবৃত্তি চুবুৰীয়া দেশসমূহৰ সৈতেও ৰাজ্যৰ বাণিজ্য সূচল হৈ পৰিব। ভূটানৰ ৰজাগৰাকীয়ে এই প্ৰকল্প পৰিদৰ্শনৰ উপৰি ব্ৰহ্মপুত্ৰত নিৰ্মিয়মান

অন্তঃজলপৰিবহন বিভাগৰ প্ৰকল্পও পৰিদৰ্শন কৰে। ভূটানৰ ৰজাগৰাকীৰ এই ভ্ৰমণৰ সময়চোৱাত উপস্থিত থকা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এনেদৰে কয়-

-ভইচ কাষ্ট-

০০০০০০০

ভাৰতৰ প্ৰথমটো কৃত্ৰিম উপগ্ৰহ আৰ্যভট্টই আজি ৫০ বছৰ সম্পূৰ্ণ কৰিছে। প্ৰাচীন ভাৰতৰ প্ৰখ্যাত গণিতজ্ঞ আৰু জ্যোতিৰ্বিজ্ঞানী আৰ্যভট্টৰ নামত ১৯৭৫ চনৰ আজিৰ দিনটোতেই কৃত্ৰিম উপগ্ৰহটো মহাকাশলৈ উৎক্ষেপণ কৰা হৈছিল। ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই নিৰ্মাণ কৰা উপগ্ৰহটো তেতিয়াৰ ছোভিয়েট ৰাছিয়াৰ সহযোগত কাপুষ্টিন য়াৰৰ পৰা মহাকাশলৈ পঠিওৱা হৈছিল। সৌৰ পদাৰ্থ বিজ্ঞান, বায়ু বিদ্যা আৰু এক্স-ৰে জ্যোতিৰ্বিদ্যাকে ধৰি অন্যান্য কেইবাটাও ক্ষেত্ৰৰ অধ্যয়নৰ বাবে উপগ্ৰহটো উৎক্ষেপণ কৰা হৈছিল। প'লিহেড্ৰ'নেৰে তৈয়াৰ কৰা এক দশমিক চাৰি মিটাৰ ব্যাসৰ আৰ্যভট্টৰ ওজন আছিল ৩৬০ কিলোগ্ৰাম। উপগ্ৰহটোৰ ওপৰ আৰু তলৰ ফালৰ বাহিৰে বাকী ২৪টা ৰন্ধ্ৰক সৌৰ পেনেলেৰে ঢকা হৈছিল।

নিৰ্দিষ্ট কক্ষপথত ৫ দিন থকাৰ পাছত আৰ্যভট্ট নিয়ন্ত্ৰণ কক্ষৰ পৰা বিচ্ছিন্ন হৈ গৈছিল। উপগ্ৰহটোৰ পৰা কেতবোৰ মূল্যবান তথ্য পোৱা গৈছিল আৰু বিজ্ঞানীসকলে কৃত্ৰিম উপগ্ৰহ বিকাশ সন্দৰ্ভত গুৰুত্বপূৰ্ণ অভিজ্ঞতা লাভ কৰিছিল। বিচ্ছিন্ন হোৱাৰ পাছতো কেইবাদিনলৈকে উপগ্ৰহটোৱে তথ্যৰ সৰবৰাহ কৰি আছিল।

আৰ্যভট্ট মহাকাশ অভিযানত ভাৰতৰ আত্মপ্ৰকাশ আছিল আৰু ই দেশৰ ভৱিষ্যতৰ মহাকাশ অভিযানসমূহৰ ভেঁটি স্থাপন কৰিছিল। আৰ্যভট্টৰ সফল উৎক্ষেপণৰ জৰিয়তে ভাৰত মহাকাশৰ নিৰ্দিষ্ট কক্ষপথত কৃত্ৰিম উপগ্ৰহ স্থাপন কৰা বিশ্বৰ একাদশ দেশ হিচাপে পৰিগণিত হৈছিল।

০০০০০০০

সমাগত পঞ্চায়ত নিৰ্বাচনত জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ মুঠ ৩৪৮ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাটো নিশ্চিত হৈছে। কালি মনোনয়ন প্ৰত্যাহাৰৰ সময়সীমা উকলি যোৱাৰ পিছতে এন ডি এ ৩৭ খন জিলা পৰিষদৰ সমষ্টি আৰু ৩১১টা আঞ্চলিক পঞ্চায়ত সমষ্টিত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। ৩৭ খন জিলা পৰিষদৰ ভিতৰত ৩৫ খনত বিজেপিয়ে আৰু দুখনত অসম গণ পৰিষদে জয়লাভ কৰে। আনহাতে, ৰাজ্যৰ মুঠ দুহেজাৰ ১৯২টা আঞ্চলিক পৰিষদৰ সমষ্টিৰ ২৫৯টা বিজেপিয়ে, ২৯টা অসম গণ পৰিষদে আৰু ১৩টা ৰাভা যৌথ মঞ্চই দখল কৰিছে।

ৰাজ্যৰ বিভিন্ন জিলা প্ৰশাসনে পঞ্চায়ত নিৰ্বাচনৰ বাবে নিৰ্বাচনী কাম-কাজত নিয়োজিত বিষয়া-কৰ্মচাৰীৰ প্ৰশিক্ষণকে ধৰি সকলো প্ৰস্তুতি চলাই আছে। **যোৰহাট** নিৰ্বাচনী জিলাৰ মহিলা প'লিং বিষয়াসকলৰ প্ৰশিক্ষণ আজি আৰম্ভ হৈছে। প্ৰশিক্ষণ কাৰ্যসূচীত জিলা আয়ুক্ত, সহকাৰী আয়ুক্ত আৰু অন্যান্য বিষয়াসকল উপস্থিত থাকে। **শোণিতপুৰ** জিলাতো আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে আজি এহেজাৰ ২৪০ গৰাকীকৈ দ্বিতীয় আৰু তৃতীয় প'লিং বিষয়াৰ ব্যৱহাৰিক প্ৰশিক্ষণ সম্পন্ন হয়।

**কামৰূপ** মহানগৰ জিলাৰ জালুকবাৰী সমজিলা কৰ্তৃপক্ষই এই নিৰ্বাচন নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে যাৱতীয় ব্যৱস্থা লৈছে। আজি সমজিলা আয়ুক্তৰ কাৰ্যালয়ত এই উপলক্ষে আয়োজিত এখন বৈঠকত নিৰ্বাচনৰ সাধাৰণ পৰ্যবেক্ষকে বিভিন্ন দলৰ প্ৰাৰ্থীসকলক নিৰ্বাচনী আচৰণ বিধি মানি চলিবলৈ আহ্বান জনায়।

**নগাঁও** নিৰ্বাচনী জিলাত ভোটগ্ৰহণত নিয়োজিত বিষয়াসকলৰ প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ আজি জিলাখনৰ ৫টা স্থানত অনুষ্ঠিত হয়। পৰহিলৈ পৰ্যন্ত হ'বলগীয়া এই প্ৰশিক্ষণত দুহেজাৰ ৬৫ গৰাকী প্ৰিজাইডিং বিষয়াসকলকে ধৰি ভালেসংখ্যক বিষয়াক প্ৰশিক্ষণ দিয়া হ'ব।

**দক্ষিণ শালমাৰা** মানকাচৰ জিলাৰ হাটশিঙিমাৰীত দুদিনীয়া কাৰ্যসূচীৰে এহেজাৰ ৮৫১ গৰাকী প্ৰিজাইডিং আৰু প'লিং বিষয়াৰ প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ সম্পন্ন হৈছে। অহা ৭ মে'ত দ্বিতীয় পৰ্যায়ত জিলাখনত নিৰ্বাচন অনুষ্ঠিত হ'ব। জিলাখনৰ ৩৫ খন গাঁও পঞ্চায়তত ৪০৬টা ভোটগ্ৰহণ কেন্দ্ৰত এই ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে সকলো ব্যৱস্থা আগতীয়াকৈ লোৱা হৈছে। সম্পূৰ্ণৰূপে মহিলাৰ দ্বাৰা পৰিচালিত হ'বলগীয়া ২৫টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে শতাধিক মহিলা প্ৰিজাইডিং আৰু প'লিং বিষয়াৰ প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ সম্পন্ন হৈছে। এই প্ৰশিক্ষণ কাৰ্যসূচীত জিলাখনৰ অতিৰিক্ত আয়ুক্ত ৰিপণজ্যোতি নাথ উপস্থিত থাকে।

**বাইট (ৰিপণজ্যোতি নাথ)**

পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন জিলাত ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযানো চলাই আছে। ধেমাজি জিলাত প্ৰথম পৰ্যায়ত ২ মে'ত হ'বলগীয়া নিৰ্বাচনৰ বাবে শাসকীয় মিত্ৰজোঁটে ব্যাপক প্ৰচাৰ চলাইছে। মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি বিধানসভা সমষ্টিৰ ৪ খন পঞ্চায়তত প্ৰচাৰ চলায়। এই প্ৰচাৰ সভাত মন্ত্ৰী পীযূষ হাজৰিকাও উপস্থিত থাকে।

০০০০০০০

একাদশ শ্ৰেণীৰ পৰীক্ষাৰ গণিতৰ প্ৰশ্নকাকত ফাদিল কৰাৰ ঘটনাৰ মূল অভিযুক্ত জুৰিয়াৰ মহম্মদ আশিকক অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাই গ্ৰেপ্তাৰ কৰিছে। ইউ পি আইৰ সহায়ত ধনৰ লেনদেনৰ তথ্যৰ ওপৰত ভিত্তি কৰি আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰে। চিকিৎসা বিজ্ঞানৰ ছাত্ৰ মহম্মদ আশিক পূৰ্বেও চুৰি কাণ্ড আৰু অপহৰণৰ গোচৰত গ্ৰেপ্তাৰ হৈছিল বুলি আৰক্ষীৰ তদন্তত প্ৰকাশ পাইছে। অভিযুক্তজনক আজি আদালতত হাজিৰ কৰোৱা হ'ব বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

০০০০০০০

ৰঙালী বিহুৰ ষষ্ঠ দিনটো আজি বিভিন্ন স্থানত জীয়ৰী বা চেনেহী বিহু হিচাপে পালন কৰা হয়। গোৱালপাৰা জিলাতো আজি এই বিহুৰ কাৰ্যসূচী লোৱা হৈছে। ইপিনে জিলাখনৰ বৰদামাল আঞ্চলিক ৰঙালী বিহু সন্মিলনীয়ে আজিৰে পৰা অনুষ্ঠানৰ আয়োজন কৰিছে। আজি ৰাভা জনগোষ্ঠীয় লোকসকলৰ পৰম্পৰাগত খেল লেৰা টনা প্ৰতিযোগিতা অনুষ্ঠিত হয়। ইপিনে নামনি অসমৰ বিভিন্ন প্ৰান্তত ব'হাগ বিহুৰ পৰম্পৰাৰ অংশ হিচাপে বাঁহ গোঁসাই, পাউৰাতোলা আৰু ভঠেলি উৎসৱৰ আয়োজন কৰা হৈছে। বাক্সা জিলাৰ গোৰেশ্বৰৰ বেতনাত শৰণীয়া কছাৰী জনগোষ্ঠীয়ে কালিৰে পৰা তিনিদিনীয়াকৈ বাঁহ গোঁসাই উৎসৱৰ আয়োজন কৰিছে। এই উৎসৱৰ অংশ হিচাপে বাঁহ গোসাঁই পূজাৰ পৰম্পৰা ৰক্ষা কৰাৰ লগতে শৰণীয়া লোক নৃত্য-গীত পৰিৱেশন কৰা হৈছে। বজালী জিলাৰ বিভিন্ন স্থানত কাইলৈ অৰ্থাৎ সাত বিহুৰ দিনা পাউৰাতোলা উৎসৱৰ আয়োজন কৰা হৈছে। পৰম্পৰা অনুসৰি এই উৎসৱৰ বাবে বাঁহ গোঁসাইক ৰং বিৰঙী বস্ত্ৰৰে সজাই এটা নিৰ্দিষ্ট স্থানলৈ লৈ আহি ৰীতি-নীতি পালন কৰা হয়। উত্তৰ কামৰূপৰ কোনো কোনো অঞ্চলত অনুৰূপ ধৰণৰ উৎসৱ ভঠেলি হিচাপে কাইলৈ উদযাপন কৰা হ'ব।

০০০০০০০

অসম কৃষি বিশ্ববিদ্যালয়ৰ উদ্ভিদ ৰোগ বিজ্ঞান বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰী প্ৰজ্ঞা পাৰমিতা আচাৰ্যই বিদেশত গৱেষণাৰ বাবে জলপানি লাভ কৰিছে। বিশ্বৰ বিভিন্ন দেশৰ ছাত্ৰ-ছাত্ৰীৰ মাজত হোৱা প্ৰতিযোগিতামূলক পৰীক্ষাত তেওঁ মিডলেণ্ডছ ইণ্টিগ্ৰেটিভ বায়' ছায়েন্স ট্ৰেইনিং পাৰ্টনাৰশ্বিপৰ জলপানি লাভ কৰিছে। ছাত্ৰীগৰাকী ইংলেণ্ডৰ ৱাৰ উইক বিশ্ববিদ্যালয়ত ডক্টৰেট ডিগ্ৰীৰ বাবে গৱেষণাৰ সুযোগ লাভ কৰিছে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে বাতৰি আৰু অনুষ্ঠান সম্পৰ্কত শ্ৰোতা ৰাইজৰ মতামত আৰু অভিমতক লৈ  আজি নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠান চলি থকাৰ সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ –এই দুটা নম্বৰত ফোন কৰি আঞ্চলিক বাতৰি, ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক বাতৰি, জিলাৰ ৰেহৰূপ, দৃষ্টিপাত, সংবাদ চলন্তিকা, ক্ৰীড়া বাৰ্তা আৰু প্ৰাসংগিক আদি অনুষ্ঠান সম্পৰ্কত অভিমত আৰু পৰামৰ্শ আগবঢ়াব পাৰিব। ইয়াৰ লগতে শ্ৰোতাসকলে ৯৮৬৪০ ৫৫৫৬৬ নম্বৰত ৱাটছএপ যোগে পঠিওৱা বাৰ্তাও অনুষ্ঠানটোত অন্তৰ্ভুক্ত কৰা হ'ব।

বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত অসমীয়া বিয়াৰ পৰিৱৰ্তন আৰু কিছু চিন্তা-দুঃচিন্তা বিষয়ক এটি বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই দুয়োটা অনুষ্ঠানৰে পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

মঙলদৈৰ সনাতন ধৰ্ম সভাৰ সভাকক্ষত আজি ভাৰতীয় ইতিহাস সংকলন সমিতি, অসমৰ অন্তৰ্গত দৰং জিলা শাখাৰ এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সাধাৰণ সভাত ভাৰতীয় ইতিহাস সংকলন সমিতিৰ ৰাষ্ট্ৰীয় মহাসচিব হেমন্ত ধিং মজুমদাৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

০০০০০০০

ৰাজ্যত যোৱা ১৪ এপ্ৰিলৰ পৰা পালন কৰা অগ্নি নিৰ্বাপক সেৱা সপ্তাহৰ কাইলৈ সামৰণি পৰিব। এই সময়ছোৱাত ৰাজ্যৰ অগ্নি আৰু আপদকালীন সেৱা সঞ্চালকালয়ে অগ্নিকাণ্ডৰ পৰা হাত সাৰি থাকিবৰ বাবে জনসাধাৰণক সজাগ কৰিবলৈ ভালেমান কাৰ্যসূচী গ্ৰহণ কৰিছে। ইয়াৰ লগতে ৰাইজক জুই লগা ঘটনাৰ পৰা হাত সাৰিবলৈ বিভিন্ন বিভিন্ন পৰামৰ্শ জাৰি কৰিছে। এই অনুসৰি বিদ্যুতৰ বিভিন্ন আহিলাসমূহ নিয়মীয়াকৈ পৰীক্ষা কৰাৰ উপৰি শ্বৰ্ট চাৰ্কিটৰ পৰা হাত সাৰি থাকিবলৈ মিনিয়েচাৰ চাৰ্কিট ব্যৱহাৰৰ পৰামৰ্শ দিছে। তদুপৰি ঘৰৰ পৰা ওলাই যোৱাৰ আগতে সকলো বৈদ্যুতিক সা-সঁজুলি আৰু ৰন্ধন গেছৰ ৰেগুলেটৰ বন্ধ কৰি যাবলৈও কোৱা হৈছে। ৰন্ধন গেছৰ চিলিণ্ডাৰত জুই লাগিলে আতংকিত নহয় ন'বটো বন্ধ কৰিবলৈ আৰু জ্বলি থকা চিলিণ্ডাৰ তিতা কাপোৰেৰে ঢাকিবলৈ পৰামৰ্শ দিয়া হৈছে। বাসগৃহ, বিদ্যালয় আৰু অন্য প্ৰতিষ্ঠানত অগ্নিনিৰ্বাপণৰ আহিলাসমূহ সহজে ঢুকি পোৱা ঠাইত ৰখাৰ লগতে এইসমূহ নিৰাপদ আৰু ফলপ্ৰসূভাৱে ব্যৱহাৰৰ কৌশল শিকি ল'বলৈ কোৱা হৈছে। একেদৰে ঘৰত বা কৰ্মক্ষেত্ৰত নিয়মিতভাৱে অগ্নিনিৰ্বাপক বাহিনীৰ অনুশীলন কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

০০০০০০০

বশিষ্ঠ আৰক্ষীয়ে আজি মহানগৰীৰ সাওঁকুচিত অভিযান চলাই  বুজন পৰিমাণৰ নিচাজাতীয় দ্ৰব্যসহ এগৰাকী মহিলা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছে। বশিষ্ঠ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কপিল পাঠকৰ নেতৃত্বত আৰক্ষী দলটোৱে হাইলাকান্দিৰ আলগাপুৰৰ চাজিদা বেগম নামৰ মহিলাগৰাকীৰ পৰা ৪টা চাবোনৰ বাকচ আৰু ১৩টা প্লাষ্টিকৰ পেকেটত ২৭৮দশমিক ৩-৮ গ্ৰাম হেৰ'ইন জব্দ কৰে। জব্দ হোৱা হেৰ'ইনখিনিৰ বজাৰ মূল্য প্ৰায় ২

কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে। লগতে মহিলাগৰাকীৰ পৰা ১লাখ ৪৯ হাজাৰ ৫০০ টকা আৰু এটা মোবাইল ফোন জব্দ হৈছে। আৰক্ষী সূত্ৰই জনোৱা অনুসৰি মহানগৰীৰ দাতালপাৰাৰ ভাৰাঘৰত থাকিয়ে মহিলাগৰাকীয়ে নিচাজাতীয় দ্ৰব্যৰ বেহা চলাই আহিছিল। মহিলাগৰাকী ভাৰাঘৰৰ পৰা আৰক্ষীয়ে এহেজাৰ ৮০০ টা খালী টেমা আৰু ১০০টা খালী চাবোনৰ বাকচ উদ্ধাৰ কৰিছে।

০০০০০০০

মৰিগাঁও জিলাৰ ঐতিহাসিক শ্ৰীশ্ৰীনৰোৱা কুজি সত্ৰৰ ৩৭৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে বৃহস্পতিবাৰৰ পৰা ৫ দিনীয়াকৈ কাৰ্যসূচী লোৱা হৈছে। এই উপলক্ষে অবিৰত ভাগৱত পাঠ আৰু ভাগৱত শোভাযাত্ৰা উলিওৱা হয়। এই শোভাযাত্ৰাত জিলাখনৰ ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে।

০০০০০০০

পবিত্ৰ হজযাত্ৰাৰ বাবে শিৱসাগৰৰ পৰা যাবলগীয়া হজযাত্ৰীসকলক আজি শিৱসাগৰৰ কোঁৱৰপুৰ জুম্মা মছজিদত সম্বৰ্ধনা জনোৱা হয়। উজনি অসম থলুৱা মুছলিম পৰিষদৰ উদ্যোগত অনুষ্ঠিত কাৰ্যসূচীত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ সৰ্বমুঠ ৮৩গৰাকী হজযাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ শেষত বিশ্বশান্তিৰ কামনাৰে আল্লাহৰ ওচৰত সমূহীয়া দোৱা কৰা হয়।

০০০০০০০

ধেমাজিৰ আউনিআটি গাঁৱৰ কাষৰ কুমতীয়া নৈ'ত গা ধুবলৈ গৈ এগৰাকী ১৫ বছৰীয়া কিশোৰীৰ সলিল সমাধি ঘটিছে। মৃত কিশোৰীগৰাকী আউনিআটি গাঁৱৰ বিজুমণি বনিয়া বুলি জানিবলৈ পৰা গৈছে। কিশোৰীগৰাকীয়ে লগৰীয়াৰ সৈতে বিহু মাৰি আহি নদীত গা ধুবলৈ লওতে আন তিনিসমনীয়াৰ সৈতে  নৈত খান্দি থোৱা দ' খাৱত পৰে। স্থানীয় লোকে তিনিগৰাকীক উদ্ধাৰ কৰে যদিও বিজুমণি বনিয়াক জীৱন্ত উদ্ধাৰ কৰিব নোৱাৰিলে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন লীগ মেচত আজি ডেলহী কেপিটেলছে গুজৰাট টাইটানছক ২০৪ ৰাণৰ লক্ষ্য বান্ধি দিছে। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ঘৰুৱা দল গুজৰাট টাইটানছে টছত জয়লাভ কৰি ডেলহী কেপিটেলছক প্ৰথমে বেটিঙৰ বাবে আমন্ত্ৰণ জনায়। আলহী দলটোৱে নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১০ দশমিক ১-৫ ৰাণ ৰেটেৰে ২০৩ সংগ্ৰহ কৰে। দলটোৰ হৈ সৰ্বাধিক অধিনায়ক অক্ষৰ পেটেলে ৩৯, আশুতোষ শৰ্মাই ৩৭ ৰাণ সংগ্ৰহ কৰে। গুজৰাট টাইটানছৰ প্ৰসিদ্ধ কৃষ্ণাই ৪টা উইকেট দখল কৰে। প্ৰত্যুত্তৰত গুজৰাট টাইটাইনছে ১২ অ'ভাৰত ২ টা উইকেট হেৰুৱাই ১১০ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

প্ৰতিযোগিতাখনত আজি সন্ধিয়া চাৰে ৭ বজাত জয়পুৰত ৰাজস্থান ৰয়েলছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ মুখামুখি হ'ব।

০০০০০০০

সমাপ্ত